1। তৰ্কবিজ্ঞানৰ উপযোগিতা সমূহ লিখা।

Ans: তৰ্কবিজ্ঞান অধ্যয়নৰ দ্বাৰা বহুতো উপযোগিতা পোৱা যায়।

১। তৰ্কবিজ্ঞান হৈছে অনুমান অৰ্থাৎ চিন্তা সম্পৰ্কীয় বিজ্ঞান। চিন্তা কেনেকৈ শুদ্ধভাৱে কৰিব পাৰি তৰ্কবিজ্ঞানে তাৰ বিষয়ে কিছুমান নীতি-নিয়মৰ আলোচনা কৰে ।

২। তৰ্কবিজ্ঞানৰ অধ্যয়নে আমাক এক ধৰণৰ মানসিক প্ৰশিক্ষণ দিয়ে।

৩/ তৰ্কবিজ্ঞানৰ অধ্যয়নে আমাক কুসংস্কাৰ আৰু অন্ধবিশ্বাসৰ পৰা মুক্ত হৈ যুক্তিৰ সহায়ত জ্ঞান অৰ্জন কৰিবলৈ সহায় কৰে।

৪।তৰ্কবিজ্ঞানৰ জ্ঞান নাথাকিলেও আমি যদিও বহু সময়ত শুদ্ধভাবে চিন্তা বা বিচাৰ কৰিব পাৰো তথাপি চিন্তা বা বিচাৰৰ ক্ষেত্ৰত কেতিয়াবা সংশয় উপস্থিত হ'লে তাক দূৰ কৰিবলৈ তৰ্কবিজ্ঞানৰ জ্ঞান অপৰিহাৰ্য হৈ পৰে।

৫। তৰ্কবিজ্ঞানৰ নীতি-নিয়মবোৰৰ ওপৰত ভিত্তি কৰিয়েই বৈজ্ঞানিক সিদ্ধান্তবোৰ শুদ্ধভাবে নিঃসৃত হয়।

2/ তৰ্কবিজ্ঞানৰ পৰিসৰ আলোচনা কৰা।

ans: তৰ্ক তৰ্কবিজ্ঞানে প্ৰত্যেক বিজ্ঞানেই প্ৰকৃতিৰ একো একোটা নিৰ্দিষ্ট বিভাগ সম্পৰ্কে আলোচনা কৰে। তৰ্কবিজ্ঞানো এক প্ৰকাৰৰ বিজ্ঞান। তলত তৰ্কবিজ্ঞানৰ আলোচ্য বিষয়বস্তু সম্পৰ্কে আলোচনা কৰা হ'ল:

১। সাধাৰণতে তৰ্কবিজ্ঞানক চিন্তা সম্পৰ্কীয় বিজ্ঞান বোলা হয়। কিন্তু 'চিন্তা' শব্দটো অতি ব্যাপক।

২। তৰ্কবিজ্ঞানে অনুমানৰ উৎপত্তি, বিকাশ আদিৰ আলোচনা নকৰে।। অৰ্থাৎ তৰ্কবিজ্ঞানে কেৱল অনুমিতি জ্ঞানৰহে আলোচনা কৰে।

৩। অনুমান দুই প্ৰকাৰৰ - (ক) নিগমন অনুমান আৰু (খ) আগমন অনুমান। তৰ্কবিজ্ঞানে এই দুই প্ৰকাৰৰ অনুমানৰ বিষয়েই আলোচনা কৰে।

৪। তৰ্কবিজ্ঞানে অনুমানৰ লগতে অনুমানৰ সহায়ক আনুষংগিক প্ৰক্ৰিয়াবোৰ যেনে- পদ, বচন, সংজ্ঞা, বিভাজন, শ্ৰেণী বিভাজন আদিৰ বিষয়েও আলোচনা কৰে।

৫। তৰ্কবিজ্ঞান অনুমান অৰ্থাৎ চিন্তা সম্পৰ্কীয় বিজ্ঞান। চিন্তাৰ তিনিটা মূল সূত্ৰ আছে।

৩। যুক্তি আৰু যুক্তিৰ আকাৰৰ মাজৰ পাৰ্থক্য লিখা?

Ans:

1) যুক্তি বচনৰ দ্বাৰা গঠিত হয়।
আনহাতে যুক্তিৰ আকাৰৰ কোনো বচন নাথাকে।

2) প্ৰত্যেক যুক্তিৰ নিৰ্দিষ্ট বিষয়বস্তু থাকে।আনহাতে যুক্তিৰ আকাৰৰ বাস্তৱ জগতৰ লগত কোনো সম্পৰ্ক নাই।

3) যুক্তিৰ আকাৰৰ কেৱল আকাৰগত সত্যতা থাকে। কিন্তু যুক্তিৰ আকাৰগত আৰু বস্তুগত দুয়ো প্ৰকাৰৰ সত্যতাই থাকে।

4) যুক্তি দুই প্ৰকাৰৰ - নিগমনাত্মক যুক্তি আৰু আগমনাত্মক যুক্তি। কিন্তু যুক্তিৰ আকাৰ মাত্ৰ এক প্ৰকাৰৰ - নিগমনাত্মক যুক্তি।

5/ যুক্তিক শব্দ আৰু প্ৰতীক দুয়োটাৰে দ্বাৰা প্ৰকাশ কৰিব পাৰি। কিন্তু যুক্তিৰ আকাৰক কেৱল প্ৰতীকৰ দ্বাৰা প্ৰকাশ কৰিব পাৰি।

1) সত্যতা কেইপ্ৰকাৰৰ আৰু কি কি?

= সত্যতা দুই প্ৰকাৰৰ। আকাৰগত আৰু বস্তুগত সত্যতা।

2) অনুমান কেই প্ৰকাৰৰ আৰু কি কি?

= দুই প্ৰকাৰৰ। নিগমন অনুমান আৰু আগমন অনুমান।

3) কলা বিদ্যা কি ?

=যি বিদ্যাই নিৰ্দিষ্ট কোনো উদ্দেশ্য সিদ্ধিৰ বাবে কোনো জ্ঞানক ব্যৱহাৰিক ক্ষেত্ৰত প্ৰয়োগ কৰাৰ ৰীতি-নীতিৰ শিক্ষা দিয়ে, তাক কলাবিদ্যা বোলা হয়।তৰ্কবিজ্ঞানী জোচেফৰ (Joseph) মতে, "কলাবিদ্যা হ'ল কিবা এটা কাম কৰাৰ এটা ব্যৱহৰিক পাৰদৰ্শিতা বা কিবা এটা কাম নিপুণতাৰে কিদৰে কৰিব পাৰি সেই সম্পৰ্কীয় এটি তাত্বিক জ্ঞান" ।

4) যুক্তি কাক বোলে? যুক্তিৰ প্ৰকাৰ সমূহৰ বিষয়ে লিখা।

= যুক্তি হ'ল ভাষাত প্ৰকাশিত অনুমান। যুক্তি হ'ল একাধিক বচনৰ সমষ্টি য'ত ইয়াৰে এটা বচন বাকী কেইটাৰ পৰা অনিবাৰ্যভাবে নিঃসৃত হয়।

যুক্তিসমূহক প্ৰধানতঃ দুই প্ৰকাৰত ভাগ কৰা হৈছে। এই দুই প্ৰকাৰৰ যুক্তি হ'ল-

1. নিগমনাত্মক যুক্তি (Deductive Argument), আৰু
2. আগমনাত্মক যুক্তি (Inductive Argument)।

1.নিগমনাত্মক যুক্তি (Deductive Argument):যি যুক্তিত আশ্ৰয়বাক্যব পবা সিদ্ধান্তটো অনিবাৰ্যভাবে নিঃসৃত হয় আৰু সিদ্ধান্ত কেতিয়াও আশ্ৰয়বাক্যতকৈ অধিক ব্যাপক নহয়, সেই যুক্তিক নিগমনাত্মক যুক্তি বোলা হয়।

2.আগমনাত্মক যুক্তি (Inductive Argument): যি যুক্তিত একাধিক আশ্ৰয়বাক্যৰ পৰা সিদ্ধান্ত নিঃসৃত হ'লেও আশ্ৰয়বাক্যই সিদ্ধান্তক প্ৰমাণ নকৰে আৰু সিদ্ধান্ত আশ্ৰয়বাক্যতকৈ বেছি ব্যাপক হয়, তাক আগমনাত্মক যুক্তি বোলা হয়।

5)নিগমনাত্মক যুক্তি আৰু আগমনাত্মক যুক্তিৰ মাজৰ দুটা পাৰ্থক্য লিখা।

=১। নিগমনাত্মক যুক্তিৰ সিদ্ধান্ত আশ্ৰয়বাক্যৰ পৰা অনিবাৰ্যভাৱে নিঃসৃ হয়। কিন্তু আগমনাত্মক যুক্তিৰ সিদ্ধান্ত আশ্ৰয়বাক্যৰ পৰা অনিবাৰ্যভাৱে নিঃসৃত নহয়; ইয়াৰ সিদ্ধান্তটো সামান্যীকৰণৰ দ্বাৰা লাভ কৰা যায়।

২। নিগমনাত্মক যুক্তিত সামান্য সম্বন্ধৰ জ্ঞানৰ ভিত্তিত বিশেষ সম্বন্ধৰ জ্ঞানত উপনীত হোৱা হয়। আনহাতে, আগমনাত্মক যুক্তিত বিশেষ বিশেষ সম্বন্ধৰ জ্ঞানৰ ভিত্তিত সামান্য সম্বন্ধৰ জ্ঞানত উপনীত হোৱা হয়।

1)নিগমন অনুমানৰ বৈশিষ্ট্য লিখাঁ?

=1)নিগমন অনুমানত সামান্য সম্বন্ধৰ জ্ঞানৰ পৰা বিশেষ সম্বন্ধৰ জ্ঞানত উপনীত হোৱা যায়।

2)নিগমন অনুমান কেৱল আকাৰগত সত্যতাৰ লগত জড়িত।

3)নিগমন অনুমানৰ সিদ্ধান্তটো আশ্ৰয়বাক্যতকৈ কেতিয়াও অধিক ব্যাপক হ'ব নোৱাৰে।

4)নিগমন অনুমানৰ সিদ্ধান্তটো আশ্ৰয়বাক্যৰ পৰা অনিবাৰ্যভাবে নিঃসৃত হয়।

2)আগমন অনুমানৰ দুটা বৈশিষ্ট্য লিখাঁ?

= 1)আগমন অনুমানত বিশেষৰ পৰা সামান্য সম্বন্ধৰ জ্ঞান উপনীত হোৱা যায়।

2)আগমন অনুমানত আকাৰগত আৰু বস্তুগত সত্যতাৰ বিচাৰ কৰা হয়।

3)আগমন অনুমানৰ সিদ্ধান্তটো সদায় আশ্ৰয়বাক্যবোৰতকৈ বেছি ব্যাপক।

1) তৰ্কবিদ্যাৰ পৰিসৰ বা আলোচ্য বিষয়বস্তু সম্পৰ্কে লিখা।
=কোনো বিজ্ঞানৰ পৰিসৰ বুলিলে সেই বিজ্ঞানৰ আলোচনাৰ অন্তৰ্ভূক্ত বিষয়বোৰকে বুজায়। বিজ্ঞান হিচাপে তৰ্কবিজ্ঞানৰো কিছুমান সুনিৰ্দিষ্ট আলোচ্য বিষয়বস্তু আছে। এই আলোচ্য বিষয়বোৰকে তৰ্কবিজ্ঞানৰ পৰিসৰ বোলা হয়। তলত তৰ্কবিজ্ঞানৰ আলোচনাৰ অন্তৰ্ভূক্ত বিষয়বোৰ উল্লেখ কৰা হ'ল :

১। তৰ্কবিজ্ঞান যুক্তি বা অনুমান সম্পৰ্কীয় বিজ্ঞান। গতিকে যুক্তি বা অনুমানৰ স্বৰূপ, গঠন, যুক্তিৰ আকাৰ, যুক্তিৰ বৈধতা ইত্যাদি যুক্তি সম্পৰ্কীয় সকলোবোৰ বিষয়ৰে আলোচনা কৰা হয় তৰ্কবিজ্ঞানত।

2)যুক্তি গঠন হয় বচনৰ দ্বাৰা। যুক্তি বচনৰ সমষ্টি। উদাহৰণস্বৰূপে – 'সকলো মানুহ মৰণশীল, চক্ৰেটিছ হয় মানুহ; গতিকে চক্ৰেটিছ হয় মৰণশীল'– এই যুক্তিত তিনিটা বচন আছে।

3)তৰ্কবিজ্ঞান যুক্তি বা অনুমানৰ সহায়ক কিছুমান আনুসংগিক প্ৰক্ৰিয়াৰো আলোচনা কৰে।

4) তৰ্কবিজ্ঞান চিন্তা সম্পৰ্কীয় বিজ্ঞান।

5)তৰ্কবিজ্ঞান আদৰ্শনিষ্ঠ বিজ্ঞান। সত্যতা তৰ্কবিজ্ঞানৰ আদৰ্শ। সত্যতা দুই প্ৰকাৰৰ– আকাৰগত সত্যতা আৰু বস্তুগত সত্যতা ।

6)সাধাৰণতে তৰ্কবিজ্ঞানক চিন্তা সম্পৰ্কীয় বিজ্ঞান বোলা হয়। কিন্তু 'চিন্তা' শব্দটো অতি ব্যাপক।

7) তৰ্কবিজ্ঞানে অনুমানৰ উৎপত্তি, বিকাশ আদিৰ আলোচনা নকৰে।। অৰ্থাৎ তৰ্কবিজ্ঞানে কেৱল অনুমিতি জ্ঞানৰহে আলোচনা কৰে।

8) অনুমান দুই প্ৰকাৰৰ - (ক) নিগমন অনুমান আৰু (খ) আগমন অনুমান। তৰ্কবিজ্ঞানে এই দুই প্ৰকাৰৰ অনুমানৰ বিষয়েই আলোচনা কৰে।

9) তৰ্কবিজ্ঞানে অনুমানৰ লগতে অনুমানৰ সহায়ক আনুষংগিক প্ৰক্ৰিয়াবোৰ যেনে- পদ, বচন, সংজ্ঞা, বিভাজন, শ্ৰেণী বিভাজন আদিৰ বিষয়েও আলোচনা কৰে।

10) তৰ্কবিজ্ঞান অনুমান অৰ্থাৎ চিন্তা সম্পৰ্কীয় বিজ্ঞান। চিন্তাৰ তিনিটা মূল সূত্ৰ আছে।